# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-OCT-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

———————————————————

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীয়ে ৰাজ্যৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু এছ আই টিৰ মুৰববী মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষী দলৰ সৈতে বৈঠকত মিলিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি জুবিন গাৰ্গৰ ন্যায়ৰ দিশত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। শ্ৰী গুপ্তাই সাংবাদিকৰ আগত প্ৰকাশ কৰি কয়, যে ছিংগাপুৰ প্ৰশাসনে তেওঁলোকৰ সৈতে যোগাযোগ কৰিছে আৰু ২১ অক্টোবৰত আমন্ত্ৰণ জনাইছে। ছিংগাপুৰৰ ঘটনাস্থলীত তদন্ত কৰাৰ বাবে শ্ৰী গুপ্তাৰ লগতে অসম আৰক্ষীৰ আৰু এগৰাকী বিষয়া ঘটনা স্থলীলৈ যাব বুলি তেওঁ উল্লেখ কৰে।

*(বাইট ঃ গুপ্তা)*

ছিংগাপুৰত শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা তিনিগৰাকী প্ৰবাসী অসমীয়াৰ কালি এছ আই টিয়ে ভাষ্য গ্ৰহণ কৰাৰ পাছত আজি কামৰূপ মহানগৰ জিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লোৱা হ'ব। এতিয়ালৈকে ছিংগাপুৰৰ ১১ গৰাকী প্ৰবাসী অসমীয়াই এছ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক কালি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পাছত মাজনিশা ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বাক্সা জিলা কাৰাগাৰত আজি কিছুসময় পূৰ্বে ৰাজ্যৰ গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী আৰু বিটিএডিৰ উপ-আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিঙৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আইন শৃংখলা শাখাৰ মহিপৰিদৰ্শক অখিলেশ সিঙো উপস্থিত থাকে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী সিঙে অঞ্চলটোৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে বুলি উল্লেখ কৰে। কালি চৰকাৰী সা-সম্পত্তি নষ্ট কৰা লোকসকলৰ বিৰুদ্ধে ভিডিঅ' ফুটেজ চাই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

জিলাখনত সান্ধ্য আইন অব্যাহত আছে আৰু জিলা কাৰাগাৰৰ সন্মুখভাগত আৰক্ষী, অৰ্ধসামৰিক বাহিনী আৰু ৰেপিড এক্সন ফোৰ্ছ নিয়োগ কৰা হৈছে। জিলা কাৰাগাৰৰ ৫০০ মিটাৰ ব্যাখাৰ্ধৰ ভিতৰত সাধাৰণ লোকৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে কাৰাগাৰৰ সন্মুখৰ মূল পথেৰে ৰাইজৰ আহ-যাব বন্ধ কৰা হৈছে।

অৱেশ্য সেই ঠাইৰ স্থায়ী বাসিন্দা হ'লে উপযুক্ত কাৰণ দৰ্শাই আহ-যাহ কৰিবলৈ দিয়া হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ন্যায় প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন বুলি উল্লেখ কৰি জনসাধাৰণক ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা ৰাখিবলৈ তেওঁ আহ্বান জনায়। নতুন দিল্লীত ছিংগাপুৰৰ উপ-উচ্চায়ুক্ত এলিছ চেঙৰ সৈতে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আলোচনা কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বাক্সাত সৃষ্টি হোৱা পৰিস্থিতি অতি দুখজনক বুলিও কয়।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। সেই অনুসৰি গুৱাহাটীৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান লাভ কৰিছে। যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। বিজয়ী প্ৰতিযোগীসকলে তেওঁলোকৰ নিজ নিজ শিক্ষানুষ্ঠান আৰু  অধ্যয়ন কৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ দাখিল কৰি পুৰস্কাৰ গ্ৰহণ কৰিব পাৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ আৰু সময় দুই-এদিনতে প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব।

ooooo

পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসনে যোৱা ৯ অক্টোবৰত অসম-মেঘালয় সীমান্তৰ তাপাতত সংঘটিত সংঘৰ্ষত নিহত অৰিৱেল তিমুৰ মৃত্যুৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। পশ্চিম কাৰ্বি আংলঙৰ অতিৰিক্ত জিলা দণ্ডাধীশ হিমাদ্ৰী শেখৰ বৰদলৈয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি, কাইলৈ খান্দুলিস্থিত সীমান্ত পহৰাচকীত এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। কোনো ব্যক্তি, সংগঠন বা বেচৰকাৰী সংস্থাই এই সন্দৰ্ভত যিকোনো তথ্য-প্ৰমাণ বা নথি লিখিতভাৱে দাখিল কৰিব পাৰিব। পুৱা ১১ বজাত এই প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

ooooo

কাতি বিহু উপলক্ষে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ সকলো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান অহা ১৮ অক্টোবৰত বন্ধ ঘোষণা কৰা হৈছে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য সচিবে আজি এটা নিৰ্দেশযোগে এইকথা ঘোষণা কৰে।

ooooo

অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহৰ সামৰণি উপলক্ষে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলাখনৰ ৪৪৯ গৰাকী অংগনবাড়ী

কৰ্মীক ম'বাইল বিতৰণ কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও প্ৰসূতি মাতৃ আৰু শিশুক সুষম আহাৰ প্ৰদান কৰা হয়। জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ বিষয়াৰ উপস্থিতিত সুষম আহাৰৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়।

০০০০০

মিচিং জনগোষ্ঠীৰ লোকসকলৰ শৈক্ষিক তথা সামাজিক উত্তৰণৰ লক্ষ্যৰে প্ৰতিষ্ঠা লাভ কৰা ছাত্ৰ সংগঠন টিএমপিকেৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি জনগোষ্ঠীটোৰ বসতিপ্ৰধান বিভিন্ন অঞ্চলত উদযাপন কৰা হয়। গোলাঘাট জিলাৰ বোকাখাট সমষ্টিৰ পাণবাৰী গ্ৰাম্য ক্ৰীড়া সংস্থাৰ খেলপথাৰত এই দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানতে মিচিং ক্ৰীড়া সমাৰোহৰ বাবে খেলুৱৈ বাচনি শিবিৰো অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাৰ লগতে টি এম পি কেৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ধেমাজি জিলাৰ চিলাপথাৰতো আজি সংগঠনটোৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণ, আলোচনা সভা আৰু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি গুমৰাগ নৃত্যৰে মিচিং ডেকা-গাভৰুসকলে পৰিৱেশ জীপাল কৰি তোলে।

০০০০০

সমাপ্ত